অধ্যায় ৬ঃ স্বর্গাৰোহণ

অধ্যায় গাঁথনি

6.1 উদ্দেশ্য

6.2 পৰিচয়

6.3 স্বর্গাৰোহণ

6.3.1 গল্পটোৰ কাহিনীভাগ

6.3.2 গল্পটোৰ সাধাৰণ আলোচনা

6.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

6.5 অধিক জানিবলৈ

6.6 অগ্রগতিৰ খতিয়ান

6.7 আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- চুটিগল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱাৰ পৰিচয় লাভ কৰিব
- 'স্বর্গাৰোহণ' গল্পটোৰ বিষয়বস্তুৰ আলোচনা কৰিব পাৰিব
- 'স্বর্গাৰোহণ' গল্পটোৰ মাজত প্রতিফলিত সমাজ বাস্তৱতা আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি লক্ষ্মীনাথ বেজবৰুৱাই লিখা 'ধনবৰ আৰু ৰতনী' নামৰ কৃত্রিম মালিতাটোৰ বিষয়ে সবিশেষ অধ্যয়ন কৰিলে। এই অধ্যায়টোত আমি গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱাক আপোনাৰ সৈতে পৰিচয় কৰাই দিব বিচাৰিছোঁ। অধ্যায়টোত বেজবৰুৱাই লিখা 'স্বর্গাৰোহণ' নামৰ গল্পটোৰ বিষয়ে আপুনি অধ্যয়ন কৰিবলৈ পাব।

এইখন পাঠবিষয়ৰ চতুর্থ অধ্যায়ৰ লগতে পূর্বৰ ষাণ্মাসিকসমূহত পঢ়ি অহা কেইবাটাও অধ্যায়ৰ পৰা আপুনি ইতিমধ্যে অৱগত যে লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া ভাষাৰ প্রথম গৰাকী চুটিগল্পকাৰ। অৱশ্যে, তেওঁৰ প্রায়বোৰ চুটিগল্পত চুটিগল্পৰ বৈশিষ্ট্যসমূহ ৰক্ষিত হোৱা দেখা নাযায়। তেওঁ নিজেও ক'তো তেওঁৰ গল্পসমূহক চুটিগল্প বুলি উল্লেখো কৰা নাই। কেতিয়াবা যদি 'গল্প' বুলিছে, কেতিয়াবা 'এবেগতীয়া সাধু' আৰু কেতিয়াবা 'সাধু' বুলি কৈছে। মন কৰিবলগীয়া যে, তেওঁৰ জীৱনকালত প্রকাশিত তিনিখন গল্পপুথিৰ ভিতৰত এখনৰ নাম *সাধু কথাৰ কুকি*। ইয়াৰ পৰাই ধাৰণা কৰিব পাৰি বেজবৰুৱাই সম্ভৱতঃ প্রাচীন সাধুকথা আৰু আধুনিক চুটিগল্পৰ মাজত

আকৌ নিবিচাৰিলেও টোপনিয়ে হেঁচা মাৰি ধৰে। টোপনিলৈ ৰৈ থাকোঁতে কথকৰ হঠাৎ মনত পৰিল ছাত্রকালৰ কথা— কিদৰে পঢ়িবলৈ কিতাপ এখন হাতত মেলি ল'লেই দুচকুত টোপনিয়ে হেঁচা মাৰি ধৰিছিলহি। লগে লগে কথকে হাতত এখন কিতাপ তুলি ল'লে, নাই ক'তা টোপনিৰ দেখো দেখা দেখিয়ে নাই। ছাত্রকালৰ যি অনুভৱ, সেয়া তেওঁৰ আজি একো কামত নাহিল; গতিকে কিতাপ জপাই চাকিটো নুমাই আকৌ একাগ্রচিত্তে টোপনিৰ তপস্যাত কথক মগ্ন হৈ পৰে। এনেদৰে থাকোঁতে ৰাতি প্রায় তিনিটা বাজিল, নানান ভাব-চিন্তাই কথকক জুমুৰি দি ধৰিলেহি পিছে; টোপনিহে নাহিল। কথকে ভাবিবলৈ ধৰিলে যে, এই পৃথিৱীত সুখ নাই, যিমানে সোনকালে পৃথিৱী এৰি যোৱা যায় সিমানে মংগল। আজিকালি নৱ প্রজন্মই নিজ দোষতে হওক বা আনৰ দোষতে হওক কৰবাত কেতিয়াবা বিফল হ'লে দোষ দিয়ে পৃথিৱীৰ গাত, যেতিয়া ৰাষ্টাত গৈ থাকোঁতে নিজৰ ভুলত উজুতি খাই, তেতিয়াও দায় পৃথিৱীৰ গাত; পিঠিত মহে খালে, নতুবা বাওনা হৈ আকাশৰ চন্দ্রটো হাতত নাপালে দায় এই পৃথিৱীৰ গাত। গতিকে এনেকুৱা সময়ত গল্প কথকে ভবা কথাটো ঠিক অমূলক নহয়। সেয়েহে কথকৰ মনত চিন্তা হ'ল এনে এক ঠাইলৈ যাব নোৱাৰিনে— য'ত টোপনিৰ কাৰণে ৰৈ থাকিবলগীয়া নহয়— যি পৰম সুখৰ আলয় হৈ উঠে। ইয়াৰ বাবে স্বৰ্গই একমাত্র স্থান হ'ব পাৰে। কিন্তু কোনে নিব তালৈ, কেনেকৈ তেওঁ তালৈ যাব ইত্যাদি কথা ভাবি থাকোঁতে কেতিয়া তেওঁৰ টোপনি আহিল গমকে নাপালে।

কথকৰ চ'ৰাঘৰটো বৰ বেছি শুৱনি নহয়। সেয়েহে কথকে কেনেদৰে ঘৰটো সজা হৈছে ইত্যাদি কথাবোৰ বর্ণনা কৰিব বিচৰা নাই। চ'ৰাঘৰত ওলোমাই থোৱা কেইখনমান ফটোৰ ভিতৰত এখনৰ নাম 'Message of Love' ছবিখন ইংৰাজী ছবিৰ আর্হিত আঁকা। ছবিখনৰ বিষয়— এজনী সুন্দৰী গাভৰু ছোৱালীয়ে ৰাতিপুৱা ফুলনিবাৰীত সোমাই ফুল তুলি কোচত একোচাকৈ ভৰাইছে। তাৰে দুটা-এটা ফুল কোচৰ পৰা সৰি মাটিত পৰিছে। মূৰৰ ওপৰত নির্মল নীল আকাশত চিলনীয়ে বনাইছে। এনে সময়ত ল'ৰা মতীয়া দুষ্ট কামদেউ ক'ৰবাৰ পৰা অকলশৰীয়াকৈ ছোৱালীজনীক পায় তাইৰ কাণত ফুচফুচাই কিবা কৈছে। কি কৈছে, কি মেলিছে কোনে জানে? মুঠতে মানুহে দেখিলে এইখন প্রেমৰ বাতৰি দিয়া ছবি বুলি কয়। কথকৰ ধাৰণা সেই থোপোকা চেহেৰাৰ কামদেউৱে ছোৱালীজনীৰ কাণত ক'ব পাৰে "অমুকত তোমালৈ এনে ৰূপৰ এনে গুণৰ এটি সুন্দৰ দৰা আছে, তোমাক লাগেনে?" কিন্তু কথকে ল'ৰা ৰজা আৰু গৌৰীনাথৰ শপত খাই কৈছে যে, তেওঁ ফুচফুচীয়া কথাৰ বিশেষকৈ গাভৰু ছোৱালীৰ ফুচফুচীয়া কথাৰ ভাৰ নুবুজে। অমুক-তমুক কৈছে বুলি ক'বৰ বাবে তেওঁ কবিও নহয়। আন মানুহে খনিকৰে অকা নক্সা বেৰত আঁৰি থোৱা দেখা পাইছে বাবেহে তেওঁ বেৰত এই চিত্রখন আঁৰি থৈছে। ছবিখনৰ তত্ত্বকথা তেওঁ নাজানে। কথকৰ মতে, "ছোৱালীলৈ যদি দৰা বিচাৰিব লাগে সেই কাম মাক-বাপেকৰ, কামদেউক সেই ভাৰ দিলে কোনে? ল'ৰাৰ

বিপদত পৰিব। সেইহেতু অতিৰিক্ত বস্তু তেওঁ নিব নালাগে। মেজখন নিব নালাগে, জোতাযোৰ বাৰু পিন্ধি ল'লেই হ'ল। পিছে কথকে লগে লগে যাব নোৱাৰো বুলি কৈ ক'লে যে, স্বৰ্গলৈ যোৱা বাটটো যদি বেয়া হয়, জোতাযোৰ বেয়া হ'ব; গতিকে জোতাযোৰ কৰবাত ভৰাইহে ল'ব।

এদিন পিছত কামদেউ আহিল কথকক স্বৰ্গলৈ নিবলৈ। কথকে ধোবাই কাপোৰৰ টোপোলা লোৱাদি বস্তুৰ টোপোলাটো লৈ কামদেউৰ পিছে পিছে যাব ধৰিলে। এনেদৰে কিছুসময় যোৱাৰ পিছত দুয়ো স্বৰ্গ পালেগৈ। কামদেউৱে মানুহ-দুনুহ নোপোৱা এটা ঘৰত কথকক সুমুৱাই দি ক'লে— "আপোনাৰ এইটোৱে বহা, ইয়াতে টোপোলাটো থওঁক।" কামদেউৰ কথামতে কথকে টোপোলাটো মাটিত থৈ কামদেউক খাটনি ধৰিলে যাতে কথকৰ ঘৈণীয়েককো স্বৰ্গলৈ লৈ আহে। কামদেউ যোৱাৰ পিছত এনেয়ে বহি থকাতকৈ কথকে টোপোলাটো খুলি এপদ-দুপদকৈ বস্তু মাটিত থবলৈ ধৰোঁতে এটা ফুটাৰে বস্তুবোৰ তললৈ সৰি পৰিবলৈ ধৰিলে। প্ৰথমতে এইটো পৰুৱাৰ গাঁত বুলি ভাবিছিল যদিও তেওঁ এইটো দেখি অবাক যে তেওঁৰ এটা এটাকৈ সকলো বস্তু পৃথিৱীলৈ সৰি পৰিছে। স্বৰ্গখনৰ এনে মেৰামতিহীন অৱস্থা দেখি কথকে ভাবিলে যে— "স্বৰ্গতো পাব্লিক ৱৰ্কছ, লোকেল বৰ্ড, মিউনিচিপেলিটি আদিয়ে পৃথিৱীত ধান বনাদি বানে। ঢেংকুৰুচ, ঢেংকুৰুচ। স্বৰ্গৰ ঢেঁকী বুলি ঢেংকুৰুচ শব্দৰ সলনি মুৰুলিৰ মাত নামাতে। এনেখন স্বৰ্গলৈ আহিবলৈ মানুহে ইমানবিলাক কষ্ট সাধ্য কাম কৰি হেঁপাহ কৰি মৰে। নালাগে বোপাই মোক স্বৰ্গৰ সুখটো, কামদেউ আহিলে পৃথিৱীৰ ল'ৰা পৃথিৱীলৈ গুচি যামগৈ। তাত টোপনি নোহোৱাকৈ গোটেই ৰাতি খপো, সিও ভাল, তেওঁ মই এনে ঢেঁকী স্বৰ্গত নাথাকো। ইমান অকণমান বিন্ধাটোৱেদি নো মোৰ ডাঙৰ ডাঙৰ বস্তুবোৰ কেনেকৈ তললৈ সৰি পৰিছে ঐ? স্বৰ্গৰ দেখো সকলো কথাই অদ্ভূত।" গতিকে যি গ'ল গ'ল, যি পাৰো তাক ৰাখোঁ ভাবি একেই দোপেই উঠি ফুটাটোত কেয়া আঙুলি এটা সোমাই সোপা মাৰি ধৰিলে। কথকে একো উৱাদিহ নোপোৱা হ'ল। কি কৰোঁ-কি নকৰোঁ ভাবি থাকোঁতে হঠাৎ কাণত পৰিল লংকা ক'ত, ক'ত। কুকুৰাৰ মাত শুনি কথকে ভাবিলে "বেছ কথা সুবিধাই", এই কথা ভবাৰ মুহূর্ততে দুৱাৰত ঠক্ ঠক্ শব্দ শুনি কথকে ভাবিলে-কামদেউৱে ঘৈণীয়েকক লৈ আহিল। সেয়ে কথকে ক'লে "দুৱাৰখন হেঁচা মাৰি দিলেই মেল খাব। ভিতৰৰ পৰাতো মই ডাং দিয়া নাই। মই মেলিবলৈ উঠি যাব নোৱাৰোঁ।" এনেতে লগুৱাজনৰ মাত শুনা গ'ল— "দেউতা চাহ আনিছোঁ।" কথকে ভালে পালে। স্বৰ্গলৈ লগুৱাজনকো কামদেউৱে লৈ আহিল। হঠাৎ কথকে সাৰ পাই দেখে যে তেওঁৰ সোঁ কাণখনৰ বিন্ধাত সোঁহাতৰ কেঞা আঙুলিটো সোমাই আছে আৰু কথক তেওঁৰ চ'ৰাঘৰত শুই আছে। 'স্বৰ্গাৰোহণ' গল্পৰ নামকৰণ অৰ্থবহ হৈছে। গল্পকথকৰ স্বৰ্গৰ প্ৰতি থকা মোহ আৰু সেই মোহৰ স্বপ্নভংগৰ বৰ্ণনাৰ মাধ্যমেৰে যি ব্যংগাত্মক অভিব্যঞ্জনা গল্পটোৱে কঢ়িয়াই আনিছে সেই ক্ষেত্ৰত ক'ব পাৰি গল্পটোৰ নামকৰণ সাৰ্থক হৈছে।

বাকীবোৰ গল্পত উপৰিউক্ত চুটিগল্পৰ বৈশিষ্ট্যসমূহ পৰিদৃশ্যমান নহয়। স্বর্গাৰোহণ এনে এটা গল্প। গল্পটোৰ বিষয়বস্তু মুখ্যতঃ ব্যংগাত্মক হোৱা বাবে বোধ হয় গল্পটোৱে নান্দনিক সৌন্দর্য লাভ কৰা নাই; লগতে গল্পটোৰ অন্তর্মুখী আবেদনো হ্রাস পাইছে। কিন্তু সমাজ জীৱনৰ মানৱ মনৰ কল্পনা এটাক সজীৱ ৰূপত উপস্থাপন কৰাত গল্পকাৰ সফল হৈছে। বেজবৰুৱাৰ গল্পৰ প্রসংগত ত্রৈলোক্যনাথ গোস্বামীয়ে কোৱা কথাকেইষাৰ এই প্রসংগত প্রণিধানযোগ্য — "জীৱনৰ জটিলতা, অনুভূতিৰ গভীৰতা, মানৱৰ ক্ষুদ্রত্ব আৰু মহত্ব বেজবৰুৱাৰ গল্পৰ মাজেদি ফুটাই তোলাৰ আদর্শ নাই। তথাপি তেওঁৰ গল্প ৰসাল, মনোগ্রাহী। ভাষাৰ সাৱলীলতা আৰু হাস্যৰসৰ মাদকতাৱে তেওঁ পাঠকৰ মন আকর্ষণ কৰে।"



জানি থোৱা ভাল

জড়তা নোহোৱাকৈ কাহিনীৰ ভাৰসাম্য ৰক্ষা কৰা, ৰস ভংগ নকৰাকৈ বর্ণনা মিতব্যয়ী হোৱা আৰু পাঠকক পায়ো নোপোৱাৰ আকাংক্ষিত স্বাদ দান কৰা— চুটিগল্পৰ আকৃতি আৰু প্রকৃতিৰ বিশেষত্ব।

বেজবৰুৱাৰ কৃপাবৰী ৰচনাৰ চোক তেওঁৰ গল্পসমূহৰ মাজত সৰহকৈ প্রতিফলিত নহ'লেও কিন্তু বেজবৰুৱাৰ প্রথম প্রকাশিত গল্পপুথি *সুৰভিত* অন্তর্ভুক্ত হোৱা গল্পসমূহতে হাস্য-ব্যংগৰ ধাৰ পৰিস্ফুত হোৱা দেখা যায়। সমাজৰ ভালেমান দিশ বেজবৰুৱাই সাহিত্যৰ মাজত উদ্ভাসিত কৰি তুলিবৰ কাৰণে সমসাময়িক সমাজৰ চৰিত্রসমূহকে প্রধান উপজীব্য হিচাপে গ্রহণ কৰিছিল। বেজবৰুৱাই অন্যান্য সাহিত্যৰ দৰে গল্পসমূহতো হাস্য ৰস প্রদান কৰিবৰ কাৰণে বিভিন্ন কৌশল অৱলম্বন কৰিছিল। তেওঁ সাধাৰণতে অসংগতি বা চৰিত্রসমূহৰ অসামঞ্জস্যমূলক আচৰণৰ উপৰি আকস্মিক ঘটনা, নাটকীয় পৰিস্থিতি, এটা বিষয়ৰ লগত আন এটাৰ তুলনা, অর্থ বিকৃতি, অপ্রয়োজনীয় বর্ণনা, অতি-প্রাকৃত ঘটনা, কল্পনা আদিৰ সহায়ত হাস্য ৰসৰ অৱতাৰণা কৰাৰ লগতে ইংৰাজী শিক্ষাৱে ন-শিক্ষিত শ্রেণীটোৰ ফোঁপোলা স্বৰূপ, ধর্মৰ নামত অন্ধগোড়ামি, ভণ্ডামি, কু-সংস্কাৰ আদিক উদঙাই দি গল্পসমূহৰ মাজেৰে ব্যংগাত্মক ভাবধাৰা প্রকাশ কৰিছিল। বেজবৰুৱাৰ 'মলক গুইন গুইন', 'ফিৰিঙতিৰ পৰা খাণ্ডৰ দাহ', 'স্বর্গাৰোহণ' ইত্যাদি এনে ধৰণৰ গল্প।

'স্বর্গাৰোহণ' গল্পত কল্পনাৰ প্রয়োগৰ জৰিয়তে হাস্য ৰসে পোহাৰ মেলিছে। আৰম্ভণিৰে পৰা হাস্য ৰসেৰে পৰিপূর্ণ গল্পটোত কল্পনাৰ উপৰি গল্পটোৰ বর্ণনাশৈলী, প্রয়োগ কৰা ভাষা, শব্দ আদিয়ে হাস্য ৰস সৃষ্টিত অৰিহণা যোগাইছে। পদুৰেক হাস্য ৰসৰ যোগান ধৰিব পৰা পৰিৱেশ-পৰিস্থিতিৰ বর্ণনা গল্পটোত প্রতিটো মুহূর্ততে বিদ্যমান। উদাহৰণ স্বৰূপে — "মোৰ চ'ৰাঘৰটো অনুষ্টুপীয়া ছন্দত ৰচিত। অর্থাৎ চকু দিলে চকুৰোৱা বা গেৰেকোনিত চকু পৰা বিধৰ নহয়। মাজে-মুধে একৰকম চলি যোৱাকৈ সজোৱা।

মানুহৰ বাবে সহজবোধ্য নোহোৱা গল্পৰ পাশ্চাত্যৰ বৈশিষ্ট্য এৰি সাধুকথাৰ ধৰণেৰে নিজস্ব বৈশিষ্ট্য সম্বলিত কৰি এক ধৰণৰ সাহিত্য লিখি উলিয়ালে য'ত ভাবেই মূল, বৰ্ণনাই প্ৰধান কথা। ক'ব পাৰি — এগৰাকী কৃতী গল্পকাৰ হোৱাতকৈ অসমৰ মানুহৰ মনত প্ৰাণ সঞ্চাৰ কৰি উজ্জীৱিত কৰা সাহিত্য সৃষ্টি কৰিব পৰাটোৱে আছিল বেজবৰুৱা গল্পকাৰজনৰ প্ৰধান উদ্দেশ্য। আমাৰ আলোচ্য গল্পটোৰ মাজতো সেই কথাই পৰিস্ফুট হৈছে সাৰ্থকভাৱে।

উল্লেখ কৰি যাওঁ যে গল্পটোৰ মূল পাঠখিনি পৰিশিষ্টত উল্লেখ কৰা আছে। আপুনি সেয়া পঢ়ি ললে আপোনৰ অধ্যয়ন অধিক ফলপ্ৰসু হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ 'স্বৰ্গাৰোহণ' গল্পৰ আংগিক তথা কলা-কৌশলত কোনো নতুনত্ব নাই বুলিয়েই ক'ব পাৰি — কথাষাৰ শুদ্ধ নে অশুদ্ধ।

.....

প্ৰশ্ন নং ৪ ঃ খালি ঠাই পূৰণ কৰক —

চুটিগল্প হ'বলৈ হ'লে ইয়াৰ ভাব,..... আৰু গঠন পদ্ধতিয়ে বিষয়বস্তুক সংক্ষিপ্ত ৰূপ দিব পাৰিব লাগিব।



৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'স্বৰ্গাৰোহণ' গল্পৰ বৰ্ণনা পোনপটীয়া। স্বৰ্গযাত্ৰাৰ এক মোহনীয়া সপোনৰ মাধ্যমেৰে গল্পটি বিবৃত হৈছে। নিৰ্মল হাস্যৰস গল্পটিৰ প্ৰধান আকৰ্ষণ। হাঁহিবলৈ পাহৰা অসমীয়া মানুহক হহুৱাবলৈ যেন বেজবৰুৱাই এই গল্পটি ৰচনা কৰিছিল। গল্পটি পোন প্ৰথমে প্ৰকাশ হৈছিল ১৮৯৪ চনত *জোনাকী*ৰ পঞ্চম বছৰৰ নৱম সংখ্যাত আৰু পৰৱৰ্তী সময়ত *সাধু কথাৰ কুকিত* অন্তৰ্ভুক্ত হৈছে। অধ্যায়টোত প্ৰথমতে গল্পটোৰ বিষয়বস্তু সম্পৰ্কে আপোনাক অৱগত কৰোৱা হৈছে।
- 'স্বৰ্গাৰোহণ' গল্পটিত কল্পনাৰ প্ৰয়োগৰ জৰিয়তে হাস্য ৰসে পোহাৰ মেলিছে। আৰম্ভণিৰে পৰা হাস্য ৰসেৰে পৰিপূৰ্ণ গল্পটোত কল্পনাৰ উপৰি গল্পটোৰ বৰ্ণনাশৈলী, প্ৰয়োগ কৰা ভাষা, শব্দ আদিয়ে হাস্য ৰস সৃষ্টিত অৰিহণা যোগাইছে। পদুৰৈক হাস্য ৰসৰ যোগান ধৰিব পৰা পৰিৱেশ-পৰিস্থিতিৰ বৰ্ণনা গল্পটোত প্ৰতিটো মুহূৰ্ততে বিদ্যমান। অধ্যায়টোত গল্পটোক কলা-কৌশলকে আদি কৰি গল্পটোৰ লগত সম্পৰ্কীত দিশসমূহ বহলাই আলোচনা কৰা হ'ল।

ঘ) 'স্বৰ্গাৰোহণ' গল্পটোৰ কথকজনে সাৰ পাই তেওঁৰ কেঞা আঙুলিটো ক'ত সোমাই থকা দেখা পাইছিল?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বেজবৰুৱাৰ গল্প ৰচনাৰ উদ্দেশ্য কি আছিল বুলি আপুনি ভাবে — চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ 'স্বৰ্গাৰোহণ' গল্পটিক এটি সাৰ্থক চুটিগল্প বুলিব পাৰিনে? বিচাৰ কৰক।

প্ৰশ্ন ৩ ঃ 'স্বৰ্গাৰোহণ' গল্পটিৰ বিষয়বস্তু সম্পৰ্কে লিখক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'স্বৰ্গাৰোহণ' গল্পটিৰ আধাৰত বেজবৰুৱাৰ হাস্য ৰসাত্মক গল্পৰ বিষয়ে বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ এটি সাৰ্থক হাস্য ৰসাত্মক গল্প হিচাপে 'স্বৰ্গাৰোহণ'ৰ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ "এগৰাকী কৃতী গল্পকাৰ হোৱাতকৈ অসমৰ মানুহৰ মনত প্ৰাণ সঞ্চাৰ কৰি উজ্জীৱিত কৰা সাহিত্য সৃষ্টি কৰিব পৰাটোৱে আছিল বেজবৰুৱা গল্পকাৰজনৰ প্ৰধান উদ্দেশ্য।" — 'স্বৰ্গাৰোহণ' গল্পটোৰ আধাৰত কথাষাৰৰ যুক্তি যুক্ততা প্ৰতিপন্ন কৰক।

*** ***** ***